**শ্ৰী নেকি, পিতৃ - বাখাতাৱাৰ**

*বনাম*

**শ্ৰী সৎনাৰায়ণ আৰু অন্যান্য**

**১৯ ডিছেম্বৰ, ১৯৯৬**

**[ন্যায়াধীশ কে. ৰামাস্বামী আৰু ন্যায়াধীশ জি. বি. পাটনায়ক]**

*পঞ্জাব ভূ–স্বামীত্ব সুৰক্ষা আইন, ১৯৫৩ : ধাৰা ৯।*

*পঞ্জাব ৰায়তিস্বত্ব আইন, ১৮৮৭ : ধাৰা ৭০।*

*ৰায়তিস্বত্ব আইন – ৰায়ত – ভাৰা পৰিশোধ নকৰা – উচ্ছেদৰ আদেশ – তাৰ বৈধতা – আবেদনকাৰী হস্তান্তৰিত মাটিৰ ৰায়ত – মাটিৰ মালিকক চুক্তি অনুসৰি উৎপাদিত শস্যৰ এক–তৃতীয়াংশ ভাৰা হিচাপে পৰিশোধ কৰিবলৈ দায়বদ্ধ – ৰায়তে বিশ্বাসৰ ভিত্তিত মাটিৰ মালিকৰ সাধাৰণ পাৱাৰ অৱ এটৰ্ণীৰ পৰা কোনো ৰছিদ প্ৰাপ্ত কৰা নাই – ১৯৭৮ চনত খেতি বেয়া হোৱাৰ বাবে তেওঁ শস্যৰ অংশ পৰিশোধ কৰিব নোৱাৰিলে, কিন্তু তাৰ পাছত তেওঁ সেয়া পৰিশোধ কৰে - মাটিৰ মালিকৰ সাধাৰণ পাৱাৰ অৱ এটৰ্ণীৰ দ্বাৰা উচ্ছেদৰ আবেদন দাখিল – প্ৰাৰম্ভিক কৰ্তৃপক্ষৰ দ্বাৰা এই ভিত্তিত উচ্ছেদৰ আদেশ জাৰি কৰা হয় যে ৰায়তে স্বীকাৰ কৰিছিল যে ১৯৭৮ চনৰ তেওঁ ভাৰা পৰিশোধ কৰা নাই – পুনৰীক্ষণ কৰ্তৃপক্ষৰ দ্বাৰা আদেশ নিশ্চিত কৰা হয় – উচ্চ ন্যায়ালয়ত লেখ আবেদন খাৰিজ কৰা হয় – উচ্চতম ন্যায়ালয়ৰ সন্মুখত আপীল – ৰায় দিয়া হয় যে যিহেতু আবেদনকাৰী যোৱা ৫০ বছৰ ধৰি ৰায়ত হৈ আছে আৰু শস্যৰ অংশ পৰিশোধ কৰাত কেতিয়াও গাফিলতি কৰা নাই, সেয়েহে তেওঁ ১৯৭৮ চনৰ ভাৰা পৰিশোধ কৰাত গাফিলতি কৰাৰ সম্ভাৱনা কম*

*– সাধাৰণ সম্ভাৱ্য মানৱীয় আচৰণ অনুসৰি তেওঁ মূল মাটিৰ মালিকৰ প্ৰতিনিধিক নিশ্চয় ৰাশিটো পৰিশোধ কৰিছে – আবেদন দাখিল কৰাৰ পৰৱৰ্তী তিনি বছৰলৈ তেওঁ উত্তৰদাতাক ইতিমধ্যে ভাৰা পৰিশোধ কৰিছে – সাধাৰণ পাৱাৰ অৱ এটৰ্ণী – প্ৰাসংগিক বিধিসমূহ আৰু সম্ভৱ্য মানৱীয় আচৰণৰ দৃষ্টিত আয়ুক্তৰ দ্বাৰা নথিভুক্ত হোৱা সিদ্ধান্ত বহনক্ষম নহয় – সাধাৰণতে এই সম্পৰ্কে কোনো চুক্তি নাথাকিলে ৰায়তে ৰাশি পৰিশোধৰ বাবে মাটিৰ মালিকক ভাৰা ৰছিদ দাবী কৰিব বুলি আশা কৰা নাযায় – এই গোচৰত পৰিশোধ কৰাৰ এক সাধাৰণ অভ্যাস দেখা গৈছে য'ত খেতি চপোৱাৰ পাছত মাটিৰ মালিকৰ প্ৰতিনিধিক শস্যৰ অংশ দিয়া হৈছে – এনে পৰিস্থিতিত আবেদনকাৰীয়ে ভাৰা পৰিশোধ কৰাত গাফিলতি কৰিছে তথা পৰৱৰ্তী বৰ্ষত সেয়া পৰিশোধ কৰিছে বুলি গ্ৰহণ কৰা সিদ্ধান্ত সঠিক নহয় – তেওঁক উচ্ছেদ কৰিব নোৱাৰি।*

দেৱানী আপীলীয় অধিকাৰক্ষেত্ৰ : ১৯৮৬-ৰ দেৱানী আৱেদন সংখ্যা ২৩০৯।

১৯৮৪-ৰ চি.ডাব্লিউ.পি. সংখ্যা ৩৪৪৭-ত পঞ্জাৱ আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ৰ ৭.৮.৮৪ তাৰিখৰ ৰায়দান আৰু আদেশৰ পৰা।

আবেদনকাৰীৰ হৈ কে. কে. মোহন আৰু মিছ স্মিতা মোহন।

উত্তৰদাতাসকলৰ হৈ সৰ্বেশ বিচাৰিয়া, নিধি বিচাৰিয়া, আৰু এচ. কে. বিচাৰিয়া।

আদালতৰ নিম্নলিখিত আদেশ প্ৰদান কৰা হ'ল :

বিশেষ অনুমতিৰ দ্বাৰা দাখিল কৰা এই আবেদন চি.ডাব্লিউ.পি. সংখ্যা ৩৪৪৭/৮৪-ত পঞ্জাৱ আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে ১৯৮৪-ৰ ৭ আগষ্টত লেখ আবেদনখন বিচাৰৰ পূৰ্বেই খাৰিজ কৰাৰ আদেশৰ পৰা উদ্ভৱ হৈছে।

স্বীকাৰ কৰা অনুসৰি আবেদনকাৰী-ৰায়তগৰাকী যোৱা ৫০ বছৰ ধৰি হস্তান্তৰিত মাটিখিনি দখল কৰি আছিল। চুক্তি অনুসৰি তেওঁ মাটিৰ মালিকক উৎপাদনৰ এক-তৃতীয়াংশ পৰিশোধ কৰাৰ বাবে দায়বদ্ধ আছিল। উত্তৰদাতাই নিজকে মাটিৰ মালিকৰ সাধাৰণ পাৱাৰ অৱ এটৰ্ণী বুলি দাবী কৰি পঞ্জাৱ ভূ-স্বামীত্ব সুৰক্ষা আইন, ১৯৫৩ (চমুকৈ 'আইনখন')-ৰ ধাৰা ৯-ৰ অধীনত এখন আবেদন দাখিল কৰে। আবেদনকাৰীয়ে দাখিল কৰে যে তেওঁ ১৯৭৮ চনত ৰবি শস্যৰ খেতি বেয়া হোৱাৰ বাবে সেই বছৰৰ বাহিৰে বাকী সকলো বছৰৰ ভাৰা পৰিশোধ কৰিছে; মাটিৰ মালিকৰ সাধাৰণ পাৱাৰ অৱ এটৰ্ণীৰ ওপৰত বিশ্বাস কৰি তেওঁ কোনো ৰছিদ লোৱা নাছিল। প্ৰাৰম্ভিক কৰ্তৃপক্ষই ৰায় দিয়ে যে আবেদনকাৰীয়ে ১৯৭৮ চনত ভাৰা নিদিয়াৰ ওপৰত তেওঁৰ দাখিলৰ ভিত্তিত তেওঁক উচ্ছেদ কৰিব পাৰি। আবেদনকাৰীৰ সকলো যুক্তি শুনাৰ পাছতো পুনৰীক্ষণত তেওঁৰ বিপক্ষে সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। ওপৰত উল্লেখ কৰা অনুসৰি লেখ আবেদনখন বিচাৰৰ পূৰ্বেই খাৰিজ কৰা হৈছিল। সেয়েহে বিশেষ অনুমতিৰ দ্বাৰা এই আবেদন দাখিল কৰা হৈছে।

আবেদনকাৰীৰ হৈ হাজিৰ হোৱা বিজ্ঞ অধিবক্তা শ্ৰী কে. কে. মোহনে যুক্তি দৰ্শাইছে যে কৰ্তৃপক্ষৰ দ্বাৰা গ্ৰহণ কৰা দৃষ্টিভংগী আইনগতভাৱে সঠিক নহয়। যিহেতু তেওঁ নিয়মিতভাৱে ভাৰা পৰিশোধ কৰি আহিছিল আৰু পৰিশোধ কৰাৰ প্ৰমাণৰ বাবে কোনো ৰছিদ প্ৰাপ্ত কৰাৰ অভ্যাস নাছিল, সেয়েহে আবেদনকাৰীয়ে অকপটভাৱে বিশ্বাস কৰিছিল আৰু মাটিৰ মালিকৰ পৰা ৰছিদ প্ৰাপ্ত কৰা নাছিল। ৰায়তগৰাকীয়ে মুকলিকৈ

স্বীকাৰ কৰিছে ১৯৭৮ চনত খেতি বেয়া হোৱাৰ বাবে তেওঁ খেতিৰ অংশ পৰিশোধ কৰিব পৰা নাছিল, কিন্তু তেওঁ পাছত সেয়া পৰিশোধ কৰিছিল। তেওঁৰ পৰৱৰ্তী যুক্তি আছিল যে পঞ্জাৱ ৰায়তিস্বত্ব আইনৰ ধাৰা ৭০-ৰ সৈতে পঢ়া আইনখনৰ ধাৰা ৯(এ)-ৰ অধীনত ৰায়তই তেওঁৰ দখলত থকা মাটিখিনিৰ উন্নয়নৰ বাবে ক্ষতিপূৰণ নিৰ্ধাৰণৰ অৰ্থে দাখিল কৰা আবেদনখনৰ সিদ্ধান্ত গ্ৰহণ নোহোৱালৈ আৰু ক্ষতিপূৰণৰ মূল্য নিৰ্ধাৰণ তথা পৰিশোধ নোহোৱালৈ তেওঁক উচ্ছেদ কৰাব নোৱাৰি, আৰু আনকি উচ্ছেদৰ আদেশো অবৈধ।

সেয়েহে প্ৰশ্নটো হৈছে যে ১৯৭৮ চনত ভাৰা পৰিশোধ কৰাত আবেদনকাৰীৰ গাফিলতিয়ে হস্তান্তৰিত সম্পত্তিৰ পৰা তেওঁৰ উচ্ছেদ কৰাৰ নায্যতা প্ৰদান কৰিছিল নেকি? এয়া আমাৰ মনোযোগ আকৰ্ষণ কৰা হৈছে যে মাটিৰ মালিকৰ সাধাৰণ পাৱাৰ অৱ এটৰ্ণীৰ মৃত্যু হৈছে আৰু আইনী প্ৰতিনিধিসকল বদলি কৰা হোৱা নাই; গতিকে আবেদন খাৰিজ কৰা হৈছে। এয়া দেখা গৈছে যে যিহেতু মূল মালিকে প্ৰদান কৰা ক্ষমতাৰ ভিত্তিত সাধাৰণ পাৱাৰ অৱ এটৰ্ণীৰ দ্বাৰা কাৰ্যবিধি আৰম্ভ কৰা হৈছিল, সেয়েহে বিষয়টোৰ মীমাংসা অকল মূল মালিকৰ দ্বাৰা বা তেওঁৰ হৈ কৰা হ'ব। কেৱল প্ৰতিনিধিগৰাকীৰ মৃত্যুৱে নিষ্পত্তিৰ ক্ষেত্ৰত তেওঁৰ আইনী প্ৰতিনিধিসকলক নথিভুক্ত আৰু সূচনা জাৰি নকৰাকৈ হেঙাৰৰ সৃষ্টি নকৰে। অধিবক্তাৰ বক্তব্য অনুসৰি মাটিৰ মালিকে তেওঁৰ চিঠিপত্ৰৰ উত্তৰ দিয়া নাছিল। এই গোচৰটোৰ তথ্যসমূহৰ পৰিপ্ৰেক্ষিতত আমি ভাবো যে এই বিষয়টো এই ভিত্তিত আৰু স্থগিত কৰি ৰাখিব নালাগে যে প্ৰথম উত্তৰদাতাৰ সাধাৰণ পাৱাৰ অৱ এটৰ্ণীৰ মৃত্যু ঘটিছে।

যিহেতু আবেদনকাৰীগৰাকীয়ে যোৱা ৫০ বছৰ ধৰি ৰায়ত হৈ আছে আৰু শস্যৰ অংশ পৰিশোধ কৰাত কোনো গাফিলতি কৰা নাই, সেয়েহে ১৯৭৮ চনৰ ভাৰা

পৰিশোধ কৰাত তেওঁ গাফিলতি কৰাৰ সম্ভাৱনা কম। সম্ভাৱ্য স্বাভাৱিক মানৱীয় আচৰণ হ'ব যে তেওঁ নিশ্চয় মূল মাটিৰ মালিকৰ প্ৰতিনিধিক ৰাশিটো পৰিশোধ কৰিছে। লগতে এয়া এক স্বীকাৰ্য স্থিতি যে আবেদন দাখিল কৰাৰ পাছত পৰৱৰ্তী তিনি বছৰলৈকে তেওঁ উত্তৰদাতা পাৱাৰ অৱ এটৰ্ণীক ইতিমধ্যে ভাৰা পৰিশোধ কৰি আছিল। এনে পৰিস্থিতিত প্ৰশ্ন উদ্ভৱ হয়; আবেদনকাৰীয়ে তাৰপাছত ১৯৭৮ চনৰো ভাৰা পৰিশোধ কৰিছে নে নাই? প্ৰাসংগিক বিধিসমূহ আৰু সম্ভাৱ্য মানৱীয় আচৰণৰ পৰিপ্ৰেক্ষিতত আয়ুক্তই নথিভুক্ত কৰা তথ্য বহনক্ষম নহয়। সাধাৰণতে ৰায়তে ৰাশি পৰিশোধৰ বাবে মাটিৰ মালিকক ভাৰা ৰছিদ প্ৰদান কৰিবলৈ দাবী কৰিব বুলি আশা কৰিব নোৱাৰি। মূলতঃ মাটিৰ মালিক আৰু ৰায়তৰ মাজত এয়া এক বিশ্বাসৰ সম্পৰ্ক যদিহে তাৰ বাবে কোনো বিশেষ চুক্তি নাই। এই গোচৰটোত পৰিশোধৰ এটা সাধাৰণ অভ্যাস দেখা গৈছে য'ত খেতি চপোৱাৰ পাছত শস্যৰ এটা অংশ মাটিৰ মালিকৰ প্ৰতিনিধিক দিয়া হয়। এনে পৰিস্থিতিত আমি এই দৃষ্টিভংগী গ্ৰহণ কৰিছো যে আবেদনকাৰীয়ে খেতি বেয়া হোৱাৰ বাবে ১৯৭৮ চনত ভাৰা পৰিশোধত গাফিলতি কৰিছে আৰু পৰৱৰ্তী বছৰত সেয়া পৰিশোধ কৰিছে বুলি গ্ৰহণ কৰা সিদ্ধান্ত সঠিক নহয়। তেওঁক উচ্ছেদ কৰিব নোৱাৰি। বিপৰীত সিদ্ধান্ত আইনগতভাৱে সঠিক নহয়। উচ্চ ন্যায়ালয়ে প্ৰাৰম্ভিক কৰ্তৃপক্ষ আৰু পুনৰীক্ষণ কৰ্তৃপক্ষই নথিভুক্ত কৰা সিদ্ধান্তত হস্তক্ষেপ নকৰি স্পষ্টভাৱে এক আইনী ভুল কৰিছে। বিষয়বস্তুৰ এই দৃষ্টিভংগীত দ্বিতীয় প্ৰশ্নটোলৈ যোৱাৰ প্ৰয়োজন নাই।

উত্তৰদাতাৰ বিজ্ঞ অধিবক্তাই যুক্তি দৰ্শাইছে যে এই আদালতত আপীলটো বিচাৰাধীন হৈ থাকোতেও আবেদনকাৰীয়ে ভাৰা পৰিশোধত গাফিলতি কৰিছে আৰু তেওঁ এই আদালতে নিৰ্দেশ দিয়া অনুসৰি ভাৰা পৰিশোধ কৰা নাই। এয়া দেখা গৈছে

যে আবেদনকাৰীয়ে ১৯৯৬ চনতো ভাৰা পৰিশোধ কৰিছে। এই পৰিস্থিতিত এয়া স্পষ্ট যে যুক্তি প্ৰদৰ্শন কৰা অনুসৰি আবেদনকাৰী-ৰায়তে শস্যৰ এক-তৃতীয়াংশৰে ভাৰা পৰিশোধ কৰাত অৱহেলা কৰা নাই। লগতে এয়াও দেখা গৈছে যে তিনিটা পূৰ্বৱৰ্তী উপলক্ষত মাটিৰ মালিকৰ সাধাৰণ পাৱাৰ অৱ এটৰ্ণীয়ে একেই গাফিলতিৰ ভিত্তিত আবেদনকাৰীক উচ্ছেদ কৰাৰ অসফল প্ৰচেষ্টা চলাইছিল। গতিকে তেওঁ গাফিলতি কৰাৰ সম্ভাৱনা নাই। সেয়েহে এয়া দেখা গৈছে যে আবেদনকাৰীয়ে মাটিৰ মালিকৰ প্ৰতিনিধিক নিয়মীয়াকৈ ভাৰা পৰিশোধ কৰি তেওঁৰ ৰায়তিস্বত্ব বাহাল ৰাখিবলৈ অকপটভাৱে কাম কৰি আছিল।

সেই অনুসৰি এই আবেদন মঞ্জুৰ কৰা হ'ল। ব্যয় অবিহনে।

টি.এন.এ. আবেদন মঞ্জুৰ কৰা হ'ল।

* * * * * * * *

অনুবাদ – ভাস্বতী গোস্বামী, কনিষ্ঠ অনুবাদক, গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

(“স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাবে অন্য ক্ষেত্ৰত অনুদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।”)